হতেশ দাস। উল্লেখ্য যে সমবায় সমিতিৰ সঞ্চালকমণ্ডলীৰ ১৫ টা আৰু নিৰোদ প্ৰসাদ কলিতা। কাৰ্তিক কুমাৰ পাঠকে।

## গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগ

# কৰুৱাভাষাত কাঠফুলা খেতিৰ প্ৰশিক্ষণ

**প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৪ ফেব্ৰুৱাৰী ঃ** গোৱালপাৰা জিলাৰ কৰুৱাভাষাত গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত কাঠফুলা খেতিৰ বিষয়ে তিনিদিনীয়া প্ৰশিক্ষণৰ ২৩ ফেব্ৰুৱাৰীত সামৰণি পৰে। গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনি আৰু কৃষি বিজ্ঞান কেন্দ্ৰ দুধনৈৰ সহযোগত কৰুৱাভাষা ৰাজহুৱা প্ৰেক্ষাগৃহত কাঠফুলা খেতিৰ প্ৰশিক্ষণৰ প্ৰথম দিনা গোৱালপাৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুভাষ বৰ্মনে উদ্বোধন কৰে। ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসে আঁত ধৰা প্ৰশিক্ষণটোত গোৱালপাৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ ড° ধৰ্মেশ্বৰ বৰ্মন, ড° দুলাল চন্দ্ৰ বৰুৱাই গোৱালপাৰা মহাবিদ্যালয়ৰ পৰা কাঠফুলা খেতিত কিয় গুৰুত্ব প্ৰদান কৰা হৈছে সেই সম্পৰ্কে কয়। সভাত স্থানীয় যুৱক ৰাকেশ ৰাভা আৰু জ্যেষ্ঠ সাংবাদিক আব্দুছ ছোবাহানে কাঠফুলা খেতিৰ জৰিয়তে কৰুৱাভাষাৰ পুৰুষ-মহিলাসকলে কৰ্মসংস্থাপন লাভ কেনেকৈ কৰিব সেই বিষয়ে কয়। প্ৰশিক্ষণত দুধনৈ কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি বিজ্ঞানী ড° উৎপল ভট্টাচাৰ্যই কাঠফুলাৰ বিভিন্ন প্ৰজাতিৰ বীজ থকাৰ লগতে অসমৰ জলবায়ুৰ লগত খাপ খাব পৰাকৈ কি কি জাতৰ বীজৰ প্ৰয়োজন সেই বিষয়ে উল্লেখ কৰে। উক্ত প্ৰশিক্ষণৰ দ্বিতীয় দিনা কৰুৱাভাষা অঞ্চলৰ ৫০ গৰাকী উদ্যমী যুৱক-যুৱতী, পুৰুষ-মহিলাক নিৰ্বাচিত কৰি খেৰ কটা, সিজোৱা, শুকোৱা আদি হাতে-কামে দেখুওৱা হয়। শেষৰ দিনা খেৰসমূহ পেকেটিং কৰি কাঠফুলাৰ বীজ ৰোপণ কৰা আৰু পেকেটসমূহ শূন্যত কেনেকৈ ওলমাই ৰাখিব তথা কেইদিনৰ পিচত কাঠফুলাবোৰ খাব পাৰি সেই বিষয়ে কয়। কাঠফুলা খোৱাৰ উপকাৰিতা তথা ব্যৱসায় হিচাপে কেনেদৰে লাভৱান হ'ব পাৰিব সেই বিষয়েও প্ৰশিক্ষণ দিয়ে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° যুগব্ৰত দাসে।